# **REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 27-08-2026 **Time :** 1100 Hrs.

দেশৰ ৰাজধানী দিল্লীৰ সৈতে গুৱাহাটীক সংযোগ কৰা ৰে’ল পথছোৱা দ্বৈত ৰে’লপথৰ পৰা চাৰিটা লাইনযুক্ত ৰে’লপথলৈ উন্নীত কৰা হ’ব বুলি কেন্দ্ৰীয় ৰে’লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰিছে। মন্ত্ৰীগৰাকীয়ে কালি সামাজিক মাধ্যমযোগে কয়, যে গুৱাহাটী-দিল্লী সংযোগী ৰে’লপথছোৱাকে ধৰি দেশৰ ৭টা অতি ব্যস্ত ৰে’লপথ চাৰিটা লেনযুক্ত ৰে’লপথলৈ উন্নীত কৰা হ’ব। তেওঁ কয়, যে এই ৭ টা ৰে’লপথৰ মুঠ দৈৰ্ঘ্য ১১ হাজাৰ কিলোমিটাৰ আৰু দেশৰ মুঠ ৰে’ল গাড়ীৰ ৪১ শতাংশ এই ৰে’লপথছোৱাৰে চলাচল কৰে। তেওঁ গুৱাহাটী-দিল্লীৰ মাজৰ পথছোৱাৰ বিতং প্ৰকল্প প্ৰতিবেদন - ডি পি আৰ প্ৰস্তুত কৰি থকা হৈছে বুলি উল্লেখ কৰে।

০০০০০০০

অসম চৰকাৰৰ উদ্যোগত আৰু কামৰূপ জিলা শিক্ষা বিভাগৰ সহযোগত কালি জ্ঞান অন্বেষণ যাত্ৰা আৰোহণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। জিলাখনৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই এই কাৰ্যসূচী শুভাৰম্ভ কৰে। জিলাখনৰ ২৭৬ খন বিদ্যালয়ৰ পৰা ২৭৬ গৰাকী ছাত্ৰ-ছাত্ৰীক ৯ খন বাহনৰ যাত্ৰাৰ শুভাৰম্ভ কৰি জ্ঞান অন্বেষণৰ বাবে পঠিওৱা হৈছে। অহা ২৯ আগষ্টলৈ ছাত্ৰ-ছাত্ৰীসকলে এই কাৰ্যসূচীৰ অধীনত আই আই টি গুৱাহাটী, এইমছ গুৱাহাটী, বায়’টেক পাৰ্ক, শংকৰদেৱ কলাক্ষেত্ৰ, চিৰিয়াখানা, গুৱাহাটী বিজ্ঞান গৱেষণা কেন্দ্ৰকে ধৰি কেইবাটাও স্থানলৈ গৈ অভিজ্ঞতা অৰ্জন কৰিব। এই যাত্ৰাত ১৬ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক মেণ্টৰ হিচাপে নিয়োগ কৰা হৈছে। এই সন্দৰ্ভত আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই এইদৰে কয়—

**বাইট (দেৱ কুমাৰ মিশ্ৰ)**

০০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰক উজনি অসমৰ চাৰিখন জিলাৰ বান সন্দৰ্ভত ৩ নৱেম্বৰৰ ভিতৰত উত্তৰ দিবলৈ নিৰ্দেশ দিছে। কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়াই উজনি অসমৰ শেহতীয়া বানৰ উচিত তদন্তৰ অনুৰোধ জনাই দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি লৈ কালি এই নিৰ্দেশ দিয়ে। আবেদনখনত দেৱব্ৰত শইকীয়াই শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাত শেহতীয়াকৈ সৃষ্টি হোৱা অভূতপূৰ্ব বান প্ৰকৃততে কোনো প্ৰাকৃতিক দুৰ্যোগ নহয়, বৰং দিখৌ নৈ আৰু ইয়াৰ উপনৈসমূহত চলি থকা অবাধ খনন আৰু গাফিলতিৰ ফল বুলি উল্লেখ কৰে। কংগ্ৰেছ নেতাগৰাকীয়ে ৰাইজৰ ন্যায় আৰু সুৰক্ষা সুনিশ্চিত কৰাৰ দাবীত আদালতত কেতবোৰ গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰে। তেওঁ দিখৌ আৰু ইয়াৰ উপনৈসমূহত সকলোধৰণৰ অবৈধ খনন তৎকালীন আৰু স্থায়ীভাৱে বন্ধ কৰাৰ লগতে উচ্চ ন্যায়ালয়ৰ পূৰ্বৰ নিৰ্দেশ অনুসৰি শীঘ্ৰেই খনন কাৰ্যবাহিনী গঠন কৰিবলৈ দাবী জনায়। ইয়াৰ উপৰি সমগ্ৰ ঘটনাৰ সত্যাসত্য উদ্ঘাটনৰ বাবে এগৰাকী অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ নেতৃত্বত উচ্চ ক্ষমতাপ্ৰাপ্ত তদন্ত সমিতি গঠন কৰা, বান্ধৰ পানী

এৰা সন্দৰ্ভত স্পষ্ট বৈজ্ঞানিক নীতি প্ৰস্তুত কৰা আৰু মানৱসৃষ্ট এই দুৰ্যোগৰ বাবে দায়ী বিষয়া আৰু দোষী লোকৰ বিৰুদ্ধে ফৌজদাৰী গোচৰ ৰুজু কৰিবলৈ তেওঁ দাবী জনায়।

০০০০০০০

ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ, স্বাধীনতা যুঁজাৰু, বিশিষ্ট সমাজবাদী নেতা গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠান পৰহিলৈ গুৱাহাটীৰ উজান বজাৰস্থিত বিবেকানন্দ সংস্কৃতি প্ৰতিষ্ঠান কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। গুৱাহাটীৰ প্ৰেছক্লাবত কালি অনুষ্ঠিত এখন সংবাদমেলত গোলাপ বৰবৰা জন্ম শতবৰ্ষ উদযাপন সমিতিৰ সাধাৰণ সম্পাদক ৰামকৃষ্ণ শৰ্মাই এই কথা প্ৰকাশ কৰে। এই অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° অমৰজ্যোতি চৌধুৰী, নতুন দিল্লীৰ ড° ৰাম মনোহৰ লোহিয়া, গৱেষণা ফাউণ্ডেচনৰ অধ্যক্ষ ৰঞ্জন সিং আৰু জ্যেষ্ঠ সাংবাদিক তথা বিশিষ্ট লেখক প্ৰশান্ত ৰাজগুৰুৱে গোলাপ বৰবৰাৰ জীৱনজোৰা কৰ্মৰাজিৰ বিষয়ে আলোকপাত কৰিব। হিন্দু মজদুৰ সভাৰ সাধাৰণ সম্পাদক আৰু বিশিষ্ট শ্ৰমিক নেতা হৰভজন সিং সিন্ধুই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ লগত সংগতি ৰাখি ড° পৰমানন্দ মজুমদাৰ সম্পাদিত গোলাপ বৰবৰা ৰচনাৱলীৰ দ্বিতীয় সংস্কৰণো উন্মোচন কৰা হ'ব।

০০০০০০০

সদৌ অসম মটক যুৱ ছাত্ৰ পৰিষদৰ পঞ্চদশ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ কালি পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি তথা প্ৰাক্তন বিধায়ক পোনাকন বৰুৱা আৰু মটক যুৱ ছাত্ৰ পৰিষদৰ সভাপতি উদয়শংকৰ মোহনে পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে স্মৃতি তৰ্পণ আৰু কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ দ্বাৰা একুৰি গছপুলি ৰোপণ কৰা হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ২০ গৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হ'ব। তদুপৰি মটক জনগোষ্ঠী জনজাতিৰ সাংবিধানিক স্বীকৃতিয়ে দিব পৰা সুৰক্ষা আৰু উন্নয়ন শীৰ্ষক আলোচনা চক্ৰ, নিশাৰ ভাগত জুবিন গাৰ্গ সোঁৱৰণী সংগীত প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে মটক জনগোষ্ঠীৰ ঐতিহ্যমণ্ডিত গছতলৰ বিহু আৰু হুঁচৰি পৰিৱেশন কৰা হ'ব। মুকলি সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

০০০০০০০০০

**সমাপ্ত**